# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-02-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

**HEADLINES**

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰিব। আজি পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ লগতে পুৱা ৮ বজাৰ পৰা নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু দিনৰ ভাগত সেৱা বাহিনীৰ অন্তৰংগ অনুষ্ঠান, ধৰ্মালোচনা সভাৰো আয়োজন কৰা হৈছে। আজিৰ অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা। সন্ধিয়াৰ ভাগলৈ সংঘৰ মূল পতাকা অৱনমিত কৰি পৰৱৰ্তী আয়োজক সমিতিৰ হাতত অৰ্পণ কৰা হ'ব।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে তেজপুৰ জিলা শাখাই আয়োজক সমিতিৰ পৰা সংঘৰ মূল পতাকা গ্ৰহণ কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অধিৱেশনৰ তৃতীয় দিনা কালি পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই সংঘৰ মূল পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে ভাগৱত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে হৰিনামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত হয়। এই শোভাযাত্ৰাত বিত্তমন্ত্ৰী অজন্তা নেওগৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে। সন্ধিয়া অধিৱেশনৰ মূল মঞ্চত সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰাৰ লগতে নামপ্ৰসংগ আৰু অংকীয়া নাটো পৰিৱেশন কৰা হয়।

আজি নিশা সমূহীয়া প্ৰাৰ্থনাৰে ৯৪ সংখ্যক অধিৱেশনৰ কাৰ্যসূচীৰ সামৰণি পৰিব।

ooooo

বিগত তিনি মাহত এক লাখ ৯৬ হাজাৰৰো অধিক দেশী-বিদেসী পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে। উদ্যানখনত পৰ্যটকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পৰ্যটকসকলৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৪৭ গৰাকী দেশীয় আৰু ৬ হেজাৰ ৯২৩ গৰাকী বিদেশী পৰ্যটক। উল্লেখযোগ্য যে, যোৱা মাহত ৬৪ হাজাৰ ৮৪৪ গৰাকী দেশী-বিদেশী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰে। ইয়াৰে ২ হাজাৰ ৬ গৰাকী বিদেশী পৰ্যটক বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে।

00000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ কালি সামৰণি পৰে। এই মহোৎসৱত ভাৰতৰ লগতে বিশ্বৰ ২৬ খন দেশৰ কমেও ১২০ গৰাকী লেখক, সাহিত্যিকে অংশগ্ৰহণ কৰে। মহোৎসৱৰ দিনকেইটাত ৪৯ খন আলোচনা সত্ৰ আৰু কেইবাখনো কৰ্মশালা অনুষ্ঠিত হয়। আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ আয়োজন কৰা এই মহোৎসৱত আফ্ৰিকাৰ কেইবাগৰাকীও লেখকে অংশগ্ৰহণ কৰি ভাষণ দিয়ে। কলা, সাহিত্য আৰু সংস্কৃতি বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত আয়োজিত এই মহোৎসৱৰ সামৰণি অনুষ্ঠানত কালি বিয়লি বিদেশৰ পৰা অহা লেখকসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সম্প্ৰতি অধ্যয়ন কৰি থকা ৪০ গৰাকী বিদেশী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩০ গৰাকী আফ্ৰিকাৰ।

00000

সমগ্ৰ শিক্ষা অসমৰ পৃষ্ঠপোষকতাত, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা  আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত তথা তিনিচুকীয়া জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ উদ্যোগত কালি বিজ্ঞান অনুসন্ধান শিশু সমাৰোহ অনুষ্ঠিত কৰা হয়। মাকুমৰ গংগা বিচন চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ ৫টা শিক্ষাখণ্ডৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, তত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমল ব্যক্তি আৰু মূল্যায়নকাৰী বিষয়াসকলক মানপত্ৰ প্ৰদান কৰাৰ লগতে ৰাজ্যিক পৰ্যায়ৰ সমাৰোহলৈ প্ৰকল্প বাছনি কৰা হয়।

00000

ধেমাজি জিলাৰ জিয়াঢলৰ আমোলগুৰিৰ ভোগালী সমন্বয় ক্ষেত্ৰত চলি থকা সোণোৱাল কছাৰী সাহিত্য সভাৰ দ্বিতীয় পূৰ্ণাংগ অধিৱেশনৰ কালি দ্বিতীয় দিনা জনগোষ্ঠীয় সাহিত্য সন্মিলন অনুষ্ঠিত হয়। সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি গুণেশ্বৰ সোণোৱালে সন্মিলন উদ্বোধন কৰে। এই অনুষ্ঠানত কেইবাখনো জনগোষ্ঠীয় সাহিত্য সভাৰ প্ৰতিনিধি উপস্থিত থাকে। ইয়াৰ পাছতে কবি সন্মিলন আৰু সভাৰ পত্ৰিকা উন্মোচন কৰা শুকুৰবাৰৰ পৰা অনুষ্ঠিত এই অধিৱেশনৰ আজি তৃতীয় দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব।

00000

সমাপ্ত